অসমীয়া ছাত্ৰ-ছাত্ৰীসকল।

মহিলা অনুষ্ঠানত ভাগ লোৱা অগ্ৰণী মহিলাসকল আছিল—পদ্মশ্ৰী মালতী বৰুৱা, দেৱবালা চলিহা, ৰেণু দেৱী, সৰস্বতী বৰুৱা, ৰুবী চলিহা আৰু কলিকতাত পঢ়ি থকা ছাত্ৰীসকল।

"কলিকতা ৰেডিঅ'ৰ অসমীয়া অনুষ্ঠানত ভাগ লোৱা শিল্পী বা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত অন্যতম আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ। ব্ৰিটিছ শাসিত ভাৰতৰ প্ৰদেশ হিচাপে অসমৰ প্ৰিমিয়াৰ গোপীনাথ বৰদলৈ ডাঙৰীয়াৰদ্বাৰা বৰগীতৰো এটি কাৰ্যসূচী সেই কালতে ৰেকৰ্ড কৰাইছিল। পিছে সেই ৰেডিঅ' ৰেকৰ্ডবোৰ আছিল কাচৰ সাজৰ ওপৰত লাৰে তৈয়াৰী ৰেকৰ্ড। পাঁচ বা ছবাৰমান বজোৱাৰ পাছত ৰেকৰ্ডৰ Grooveবোৰ নষ্ট হৈ গৈছিল। ১৯৪৭ চনত দেশ স্বাধীন হোৱাৰ পাছত গোপীনাথ বৰদলৈ এবাৰ কলিকতা হৈ দিল্লীলৈ যোৱাৰ পথত উবেইদুল লটিফ বৰুৱাই তেখেতৰপৰা অসমীয়া ৰাইজলৈ এটি ভাষণ ৰেকৰ্ড কৰাৰ সুযোগ লৈছিল।" *(মৃগেন ৰায়চৌধুৰী)*

(চাৰি)

## কলিকতা ৰেডিঅ'ৰ অসমীয়া অনুষ্ঠানত ভূপেন হাজৰিকাৰ গান

১৯৪২ চনৰপৰা ১৯৪৬ চনৰ ভিতৰত ভূপেন হাজৰিকাই বেনাৰসত এম এ পঢ়িছিল। এই সময়ছোৱাত বেনাৰসলৈ অহা-যোৱা কৰোঁতে ভূপেন হাজৰিকাই কলিকতাৰ অসমীয়া অনুষ্ঠানত গান গাইছিল বুলি দিলীপ শৰ্মা আৰু মৃগেন ৰায়চৌধুৰীৰপৰা জানিব পৰা গৈছে। মৃগেন ৰায়চৌধুৰীয়ে কলিকতা কেন্দ্ৰৰ অসমীয়া অনুষ্ঠানটোত গীত গোৱাৰ লগতে বিভিন্ন সময়ত কথিকা আদিও প্ৰচাৰ কৰিছিল। তেখেতে ১৯৮৫ চনত আকাশবাণীৰপৰা উপসঞ্চালক প্ৰধান হিচাপে অৱসৰ গ্ৰহণ কৰে। বেনাৰসলৈ কলিকতা হৈ অহা-যোৱা কৰোঁতে ভূপেন হাজৰিকাই কি কি গীত গাইছিল এতিয়া আৰু জনাৰ উপায় নাই। কিন্তু ১৯৪৮ চনত আততায়ীৰ হাতত গান্ধীজীৰ জীৱন বন্তি নুমাই যোৱাত, ভূপেন হাজৰিকাই দুটি শোকগীত ৰচনা কৰি ভগ্নী নিৰুপমাৰ সৈতে কলিকতা কেন্দ্ৰৰ অসমীয়া অনুষ্ঠানত পৰিৱেশন কৰে। গীত দুটিৰ বিষয়ে বহলাই কোৱাৰ আগতে, কলিকতা কেন্দ্ৰৰ অসমীয়া অনুষ্ঠানত গান্ধীজীৰ বিয়োগত কি কি অনুষ্ঠান কৰিছিল, সেই বিষয়ে মৃগেন ৰায়চৌধুৰীৰ স্মৃতিলেখাৰপৰা নিবেদন কৰা হ'ল।

"১৯৪৮ চনৰ ৩০ জানুৱাৰি তাৰিখে গান্ধীজীক হত্যা কৰা হ'ল। গোটেই দেশতে শোকৰ ছাঁ পৰিল। কলিকতা ৰেডিঅ'ৰ অসমীয়া কাৰ্যসূচীতো এই শোক প্ৰতিফলিত কৰিব লগা হ'ল। পুৰুষোত্তম দাসে বহুতো গীত ৰচনা কৰিলে। হলিৰাম ডেকা, অম্বিকা নাথ বৰা, জ্ঞাননাথ বৰা, ভবেশ চন্দ্ৰ বৰুৱা আদি কলিকতা প্ৰবাসী প্ৰবীণসকলে শ্ৰদ্ধাঞ্জলি আগবঢ়াই কেইবাটাও কথিকা অনুষ্ঠানত ভাগ ল'লে। ময়ো সেই সময়তে এটি কথিকা আগবঢ়ালোঁ আৰু 'আলো মঞি কি কহব দুখ' বোলা বৰগীত এটিৰেও মোৰ শ্ৰদ্ধাঞ্জলি ৰেডিঅ'যোগে আগবঢ়ালোঁ। দিলীপ শৰ্মা আৰু আৰতি শৰ্মায়ো কেইবাটাও গীতৰ অৰিহণা যোগালে। সেই সময়ত কলিকতাত ভুমুকি মৰা কেইবাজনো অসমীয়া গায়কে ৰেডিঅ'ৰ অসমীয়া কাৰ্যসূচীত ভাগ ল'লে। ভূপেন হাজৰিকাই বৰ মৰ্মস্পৰ্শী গীত দুটি এই সময়ত ৰেকৰ্ড কৰা মনত পৰে।" *(মৃগেন ৰায়চৌধুৰী)*

জাতিৰ পিতাৰ হত্যাৰ বাতৰিয়ে সমগ্ৰ দেশজুৰি কান্দোনৰ ৰোল তুলিলে। পৃথিৱীৰ সভ্য সমাজ স্তম্ভিত হ'ল। শোকস্তব্ধ হ'ল। দেশৰ জনতা বিমূঢ় আৰু বাকৰুদ্ধ হৈ পৰিল। সেই সময়ত ভূপেন হাজৰিকা আৰু নিৰুপমা হাজৰিকা কলিকতাত আছিল। গান্ধীজীৰ হত্যাত কলিকতা ৰেডিঅ'ৰ অসমীয়া শাখাই শোক প্ৰকাশৰ অনুষ্ঠানত ভূপেন হাজৰিকাই গান্ধীজীৰ বিষয়ে দুটি শোক-গীত লিখি অসমীয়া অনুষ্ঠানত প্ৰচাৰ কৰে। দুয়োটা গীতেই ভগ্নী নিৰুপমাৰ সৈতে পৰিৱেশন কৰে। এই দুটি গীতেই আছিল মৃগেন ৰায় চৌধুৰীদেৱে উল্লেখ কৰা মৰ্মস্পৰ্শী গীত। প্ৰথমটি গীতৰ স্থায়ী অংশত বাপুজীৰ হত্যাক পৃথিৱীৰ শিৰত বজ্ৰপাত বুলি কোৱা হৈছে ঃ

"তেৰশ চোৱন্নৰ মাঘৰে মাহতে
যোলৰে বিয়লি বেলা
পৃথিৱীৰ শিৰতে বজ্ৰপাত পৰিলে
বাপুজী ক'লৈনো গ'লা?"

পাঁচটি অন্তৰাৰে ৰচনা কৰা গীতটিৰ প্ৰথম চাৰিটি অন্তৰাত বাপুজীৰ জীৱন, কৰ্ম আৰু আদৰ্শৰ কথা কোৱা হৈছে—

পৃথিৱীখনিয়ে হিংসাৰ তেজেৰে
যেতিয়া ৰাঙলী হ'ল।
অহিংসাৰ বাণীৰে ধুৱালা পখালা
শতৰু বিসময় গ'ল।

শেষৰ অন্তৰাটিত সোতৰ মাঘৰ দিনা বাপুজীৰ নশ্বৰ দেহ চন্দন কাঠৰ চিতা-জুইত পঞ্চভূতত বিলীন হোৱাৰ বিৱৰণী দিছে—

সোতৰ মাঘৰে আকাশতে উৰিলে
চন্দন কাঠৰ ধোঁৱা।
ধোঁৱাকে সাবটি ফেকুৰি ফেকুৰি
বতাহে কান্দিছে চোৱা।
বাপুজী ক'লৈনো গ'লা?

দ্বিতীয়টি গীত হ'ল মহাত্মাই "হাসি বোলে ৰাম ৰহিম, বান্ধ ৰাম ৰহিম।" বাপুজীয়ে গোটেই জীৱনজুৰি কৰি যোৱা সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে কৰা চেষ্টা হ'ল গীতটিৰ বিষয়। ৰাম-ৰহিম, কৃষ্ণ-কৰীম আৰু শিৱ-ইব্ৰাহীমক একাত্ম কৰাৰ বাবে বাপুজীৰ বিৰামহীন চেষ্টাৰ কথা ইয়াত কোৱা হৈছে। সৰহভাগ গীতিকাৰে নভবা বিষয়, ব্যৱহাৰ নকৰা শব্দৰে ভূপেন হাজৰিকাই ভগ্নী নিৰুপমাৰ সৈতে গোৱা এই দুয়োটি গান্ধী গীতেই পাহৰিব নোৱৰা আৰু অন্তৰ চুই যোৱা ঃ

মহাত্মাই হাসি বোলে ৰাম ৰহিম
বান্ধ ৰাম ৰহিম।
একেলগে একেসঙ্গে বান্ধৰ পাতিম
হাঁয় হাঁয় ৰাম ৰহিম।।

সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে জীৱন উছৰ্গা কৰি বিফল হৈ অখণ্ড ভাৰত দ্বিখণ্ড হৈ পোৱা স্বাধীনতাৰ বিনিময়ত ৰক্তৰ নদী বৈ যোৱা দেখি বাপুজীয়ে মৰ্মান্তিক দুখ আৰু কষ্ট পাইছিল। অতি দুখেৰে কৈছিল—"মই এতিয়া অচল টকা।" বাপুজীৰ মনৰ এই মৰ্মান্তিক বেদনা উপলব্ধি কৰি ভূপেন হাজৰিকাই দ্বিতীয় গীতটিৰ জৰিয়তে প্ৰকাশ কৰিছে। গান্ধীজীৰ মৰ্মবেদনাৰ উপলব্ধি আৰু গীতটোত ইয়াৰ প্ৰকাশে, দেশ আৰু মানুহক ভালপোৱা প্ৰতিজন সহৃদয় আৰু সংবেদনশীলজনৰ হৃদয়-মন মোহাৰি জেতুকা বুলিয়া কৰি পেলায়। এনে দুটি গীত প্ৰচাৰ কৰি কলিকতা কেন্দ্ৰৰ অসমীয়া অনুষ্ঠানৰ কৰ্মকৰ্তাসকল গৌৰৱৰ ভাগী হৈছিল।

মহাত্মাই হাসি বোলে হিংসা নকৰিম।
বান্ধ মৰমে কৰিম,
মানুহৰ উপৰি নাই কাকনো দুষিম
হাঁয় হাঁয় ৰাম ৰহিম।
মহাত্মাই হাসি বোলে মইহে চলিম
বান্ধ আৰু নাথাকিম
জগতৰ ৰক্তনদী আৰু নসহিম।...
মহাত্মাই হাসি বোলে মই কি কৰিম।
বান্ধনো ক'তনো কৰিম
ইপুৰীক তেজি মই সিপুৰীত কান্দিম
হাঁয় হাঁয় ৰাম ৰহিম।

**সহায়ক পুথি-প্ৰবন্ধ**

১। ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ।

২। অন্তৰেদি মৌ বোৱাম ঃ ড° সূৰ্য দাস।

৩। অল ইণ্ডিয়া ৰেডিঅ'ৰপৰা আকাশবাণীলৈ মৃগেন ৰায় চৌধুৰী ঃ প্ৰান্তিক, ১ জুলাই ২০০৪।

৪। আকাশবাণীৰ প্ৰথম অসমীয়া অনুষ্ঠান ঃ দিলীপ শৰ্মা ঃ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ ঃ আকাশবাণী গুৱাহাটী।

ঠিকনা ঃ গাঁও ঃ তেতেলীগুৰি, ডাক ঃ গান্ধীনগৰ-৭৮২৪০৩, কামৰূপ মহানগৰ, ফোন ঃ ৯৯৫৪৯৭৪১১৫